# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 15-03-2026 **Time :** 0755 Hrs.

## HEADLINES

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দুপৰীয়াৰ ভাগত গুৱাহাটীৰ দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয় প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে গোলাঘাট আৰু তিনিচুকীয়া কৰ্কট কেন্দ্ৰকে ধৰি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ কৰাৰ লগতে ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতাল, যোৰহাট, বৰপেটা, অভয়াপুৰী ছুপাৰ স্পেচিয়েলিটি হাস্পতাল আৰু গুৱাহাটী স্বাস্থ্য ভৱন আৰু অভয়াপুৰী জিলা চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰিব।

দুদিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কালি গুৱাহাটীত উপস্থিত হৈ ৰাজ্যিক অতিথিশালাত নিশাটো কটায়। চৰকাৰী কাৰ্যসূচীৰ লগতে গৃহমন্ত্ৰীগৰাকীয়ে আজি ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত যুৱ শক্তি সমাৰোহতো অংশগ্ৰহণ কৰিব।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে শনিবাৰে নিশা দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালৰ দ্বাৰা স্বাক্ষৰিত পত্ৰখনৰ অনুসৰি কংগ্ৰেছে ২৩টা সমষ্টিত দলীয় প্ৰাৰ্থী দিয়াৰ লগতে ১৫টা সমষ্টি মিত্ৰদললৈ এৰিছে। এই তালিকা অনুসৰি গোলকগঞ্জ সমষ্টিত কাৰ্তিক চন্দ্ৰ ৰয়, বীৰছিং জাৰুৱা সমষ্টিত ৰাজেদ আলী চৌধুৰী, বিলাসীপাৰাত অমৃত বাদছা, মানকাচৰ সমষ্টিত মহিবুৰ ৰহমান, পূব গোৱালপাৰাত আবুল কালাম ৰছিদ আলম, দুধনৈত কিশোৰ কুমাৰ ব্ৰহ্ম, সৃজনগ্ৰামত নুৰুল ইছলাম, মন্দিয়াত আব্দুল খালেক, ছমৰীয়াত ৰেকিবুদ্দিন আহমেদ, ৰঙিয়াত প্ৰাণজিৎ চৌদুৰী, ডিমৰীয়াত কিশোৰ কুমাৰ বৰুৱা, নিউ গুৱাহাটী শান্তনু বৰা, মঙলদৈত ৰিজুমণি তালুকদাৰ, হোজাই জিল্লী চৌধুৰী, ঢেকীয়াজুলিত বাতাছ ওৰাং, ৰঙাপাৰাত কাৰ্তিক চন্দ্ৰ কুৰ্মী, গহপুৰত শংকৰ কুটুম, ধেমাজিত শৈলেন সোণোৱাল, তিনিচুকীয়াত ডেভিদ ফুকন, টিংখাঙত বিপুল গগৈ, দেৰগাঁৱত সাগৰিকা বৰা, ঢলাইত ধ্ৰুৱজ্যোতি পুৰকায়স্থ, দক্ষিণ কৰিমগঞ্জ সমষ্টিত আমিনুৰ ৰছিদ চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

আনহাতে কংগ্ৰেছৰ মিত্ৰদলক দিয়া সমষ্টিকেইটা হ'ল- ভৱানীপুৰ-সৰভোগ, বজালী, পলাশবাৰী, মধ্য গুৱাহাটী, গোৰেশ্বৰ, মৰিগাঁও, বঢ়মপুৰ, বিন্যাকান্দি, বিহালী, শদিয়া, ডিব্ৰুগড়, খোৱাং, সৰুপথাৰ, ডিফু আৰু আম্ৰী। উল্লেখযোগ্য যে কংগ্ৰেছে ইয়াৰ পূৰ্বে ৪২টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নামেৰে প্ৰথমখন তালিকা প্ৰকাশ কৰিছিল। কংগ্ৰেছৰ বিৰুদ্ধে অসন্তুষ্টি প্ৰকাশ কৰি ইতিমধ্যে ৰাইজৰ দলে মিত্ৰতাৰ পৰা বাহিৰ হৈছে। ৰাইজৰ দলে কালিৰ দিনটোতে দুটা সমষ্টিৰ প্ৰাৰ্থীৰ নামেৰে তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি ৰাইজৰ দলৰ হৈ নাওবৈচা সমষ্টিত হৰিকান্ত দাস আৰু অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ধেমাজি সমষ্টিত বাবুল সোণোৱালক প্ৰাৰ্থিত্ব দিয়া হৈছে।

ইপিনে কালিৰ এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা অনুসৰি বিজেপিয়ে ১৮ মাৰ্চত বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি বিজেপিৰ প্ৰাৰ্থীৰ তালিকাত বহুকেইখন নতুন মুখ থাকিব। বৰাকৰ ১০টা সমষ্টিত বিজেপিয়ে আৰু তিনিটা সমষ্টিত অগপই প্ৰতিদ্বন্দ্বিতা কৰিব। অগপ-বিজেপিৰ আসন বাটোৱাৰা সম্পৰ্কত কালি গুৱাহাটীত নিশা কটোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে আলোচনাৰ অন্তত আজি প্ৰকাশ কৰা হ'ব বুলিও একেখন সংবাদমেলতে মুখ্যমন্ত্ৰীগৰাকীয়ে জনাইছিল।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি আনুষ্ঠানিকভাৱে মুকলি কৰাৰ পাছত ৰাজ্যৰ ভিন্ন প্ৰান্তত চাহ শ্ৰমিকক ভূমিপট্টা প্ৰদান কৰা হয়। চৰকাৰৰ এই ব্যৱস্থাৰ অংশস্বৰূপে বিশ্বনাথ জিলাৰ গহপুৰৰ লেবাৰলাইনত ভূমি বন্দোৱস্তিৰ ডিজিটেল ভূমিপট্টা বিতৰণ কৰা হয়। গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰাই শ্ৰমিকসকলক হাতত ডিজিটেল ভূমিপট্টা বিতৰণ কৰে। ভূমিপট্টা লাভ কৰি চাহ শ্ৰমিকসকল উৎফুল্লিত হৈ পৰে। এই ভূমিপট্টা বিতৰণ সন্দৰ্ভত উৎপল বৰাই এনেদৰে কয়—

বাইট

০০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ নাহৰণিৰ বিভিন্ন অঞ্চলৰ দূৰাৰোগ্য ৰোগত আক্ৰান্ত ১১৬ গৰাকী ব্যক্তিক মুখ্যমন্ত্ৰী সাহায্য পুজিৰ প্ৰায় পাঁচ লাখ ৭৫ হাজাৰ টকাৰ চেক বিতৰণ কৰা হয়। স্থানীয় বিধায়ক তৰংগ গগৈয়ে চেকসমূহ বিতৰণ কৰি সকলোকে শীঘ্ৰেই আৰোগ্য লাভ কৰাৰ লগতে এই সহায়ৰ দ্বাৰা ৰোগীসকল উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উদ্যোগত ডিব্ৰুগড় বিধানসভা সমষ্টিত কালি নতুন ৰেচন কাৰ্ড বিতৰণৰ আনুষ্ঠানিক কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অসম চৰকাৰৰ শক্তি, দক্ষতা বিকাশ, নিয়োগ আৰু উদ্যমিতা ইত্যাদি বিভাগৰ মন্ত্ৰী তথা স্থানীয় বিধায়ক প্ৰশান্ত ফুকন মুখ্য অতিথি হিচাপে উপস্থিত থাকি হিতাধিকাৰীসকলক ৰেচন কাৰ্ড বিতৰণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে সমষ্টিটোৰ চাৰি হাজাৰ ৬৬৪ গৰাকী হিতাধিকাৰীক নতুনকৈ সংযোজিত কৰা হয়। ইয়াৰ জৰিয়তে তিনি হাজাৰ ৪৩৫ টা পৰিয়াল উপকৃত হ'ব বুলি আশা কৰা হৈছে। এই কাৰ্যসূচীত ডিব্ৰুগড়ৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উপ-পৰিদৰ্শক ভৰেন কুমাৰৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০০

**সমাপ্ত**